বাবা মুংগিপা চিকিৎসা মহাবিদ্যালয় আৰু গৱেষণা কেন্দ্ৰৰ

ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ মঞ্চ আৰু অন্য এজন

-বনাম-

ত্ৰিপুৰা চৰকাৰ আৰু অন্যান্য

১৯৯৭চনৰ ৩নৱেম্বৰ

[ন্যায়াধীশ চুহাছ চি. সেন আৰু ন্যায়াধীশ এম. জগন্নাধা ৰাও]

*ভাৰতীয় চিকিৎসা পৰিষদ আইন, ১৯৫৬:*

*চিকিৎসা মহাবিদ্যালয়- বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতি- ত্ৰিপুৰা ৰাজ্যত এক শিক্ষা ন্যাসৰ দ্বাৰা স্থাপিত চিকিৎসা মহাবিদ্যালয়- কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুমতি বিচাৰিছিল- যিহেতু কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল সেয়ে আবেদনকাৰীয়ে আইনী কাৰ্য্যকলাপ আৰম্ভ কৰিছিল- এই আদালতৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰক দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ জাৰি কৰা হৈছিল- ইতিমধ্যে মাজতে ন্যাসে বিশ্ববিদ্যালয়ৰ পৰা মহাবিদ্যালয়ৰ অস্থায়ী স্বীকৃতি লাভ কৰিছিল আৰু শিক্ষাৰ্থীসকলক নামভৰ্তি কৰিছিল- স্বীকৃতি প্ৰদানৰ বাবে আবেদন- ভাৰতীয় চিকিৎসা পৰিষদৰ এটা দলে কৰা পৰীক্ষা- দলে বিভিন্ন ত্ৰুটি লক্ষ্য কৰিছিল- উপস্থাপন কৰে যে, চিকিৎসা পৰিষদে আঙুলিয়াই দিয়া ত্ৰুটিবোৰ আঁতৰ নকৰালৈকে মহাবিদ্যালয়ক স্বীকৃতি প্ৰদান কৰাৰ কোনো প্ৰশ্ন উত্থাপন কৰা নহয়- মহাবিদ্যালয় কৰ্তৃপক্ষই ত্ৰুটি আতঁৰ কৰিব লাগিব- তাৰপিছত*

*তেওঁলোকে পৰৱৰ্তী পৰীক্ষাৰ বাবে চিকিৎসা পৰিষদলৈ আবেদন কৰিব- কিন্তু প্ৰকৃততে, স্বীকৃতি প্ৰদানৰ বাবে চিকিৎসা পৰিষদ বা ভাৰতীয় সংঘক কোনো নিৰ্দেশ প্ৰদান কৰিব নোৱাৰে- স্বীকৃতি প্ৰদানৰ আগতে মহাবিদ্যালয়ত শিক্ষাৰ্থীৰ নামভৰ্তি কৰাটো অতি দায়িত্বহীন পদক্ষেপ আছিল- মহাবিদ্যালয়ে স্বীকৃতি দিয়াৰ আগতে শিক্ষাৰ্থীসকলক ভৰ্তি নকৰিবলৈ নিৰ্দেশ দিছিল।*

দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰঃ ১৯৯৪চনৰ বিশেষ অনুমতি আবেদন নং ১৮১৬৮- ৬৮এ।

আই.এ. নং ৫।

অসম উচ্চ ন্যায়ালয়ৰ ১৯৯৩ চনৰ চি. আৰ. নং. ১৯৪৮ আৰু ১০৬-ত ১৬.৫.৯৪ তাৰিখৰ বিচাৰ আৰু আদেশৰ পৰা।

উপস্থিত দলসমূহৰ হৈ পি. পি. ত্ৰিপাঠী, ৱাই. পি. মহাজন, অনিল কাটিয়াৰ, মনিন্দৰ সিং, শ্ৰীমতী লিৰা গোস্বামী, শ্ৰীমতী অমিতা ভি. দুগ্গল, ৰাজীৱ মেহতা, কে. কে. গুপ্তা, হিমিন্দৰ লাল আৰু ভি. কে. বাৰ্মা।

আদালতৰ নিম্নলিখিত নিৰ্দেশ প্ৰদান কৰা হৈছিলঃ

বাবা মুংগিপা এডুকেশ্বন ট্ৰাষ্টে ত্ৰিপুৰাত এখন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ বিচাৰিছিল। ন্যাসৰ মতে, ত্ৰিপুৰাত কোনো চিকিৎসা মহাবিদ্যালয় নাছিল আৰু ন্যাসটোৱে সেই ৰাজ্যখনত দীৰ্ঘদিন ধৰি অনুভৱ কৰা প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ চেষ্টা কৰিছিল। ই ভাৰতীয় চিকিৎসা পৰিষদ আইনৰ দ্বাৰা প্ৰয়োজন অনুসৰি মহাবিদ্যালয়খন স্থাপন কৰাৰ

অনুমতিৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত ১.১১.১৯৯৪ত আবেদন জনাইছিল। এই আবেদনৰ ওপৰত কোনো ব্যৱস্থা লোৱা হোৱা নাছিল। কেন্দ্ৰীয় চৰকাৰৰ নিষ্ক্ৰিয়তাত ক্ষুব্ধ হৈ ন্যাসে বিভিন্ন আইনী ব্যৱস্থা গ্ৰহণ কৰিছিল। অৱশেষত ২১.৭.১৯৯৫তাৰিখৰ এক নিৰ্দেশৰ জৰিয়তে এই আদালতে কেন্দ্ৰীয় চৰকাৰক আবেদনখনৰ প্ৰয়োগ লগতে ভাৰতীয় চিকিৎসা পৰিষদৰ সৈতে আলোচনা কৰি আইন অনুসৰি এইখন নিষ্পত্তি কৰাৰ বাবে দ্ৰুত পদক্ষেপ গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে।

সময়ে সময়ে এই আদালতে আন নিৰ্দেশনাও দিছে। বিশ্ববিদ্যালয়ৰ পৰা মহাবিদ্যালয়খনৰ অস্থায়ী স্বীকৃতি লাভ কৰাৰ প্ৰচেষ্টাত ন্যাস সফল হৈছিল। ন্যাসৰ হৈ কোৱা হৈছে যে, তেওঁলোকে মহাবিদ্যালয়খন স্থাপন কৰিছিল আৰু ছাত্ৰ-ছাত্ৰীসকলক প্ৰথম বৰ্ষৰ শ্ৰেণীত নামভৰ্তি কৰিছিল। কিন্তু, কিছু সময়ৰ পিছত, বিশ্ববিদ্যালয় আৰু কেন্দ্ৰীয় চৰকাৰৰ নিষ্ক্ৰিয়তাৰ বাবে শ্ৰেণীসমূহ বাতিল কৰিবলগীয়া হৈছিল। এইটো কোনো বিতৰ্কৰ বিষয় নহয় যে, বহু বছৰ ধৰি কোনো শ্ৰেণী অনুষ্ঠিত হোৱা নাই।

ন্যাসৰ ক্ষেত্ৰত এই মহাবিদ্যালয়খনক স্বীকৃতি প্ৰদান নকৰাৰ কোনো কাৰণ নাই। মহাবিদ্যালয়খনে প্ৰদান কৰিবলগীয়া সুবিধাসমূহৰ কিছুমান ত্ৰুটি ভাৰতীয় চিকিৎসা পৰিষদে উল্লেখ কৰিছে। মহাবিদ্যালয়খনে স্বীকৃতি লাভ কৰাৰ পিছত সেই ত্ৰুটিবোৰ দূৰ কৰা হ'ব। যদি মহাবিদ্যালয়খনে চিকিৎসা পৰিষদৰ দ্বাৰা স্বীকৃতি লাভ নকৰে, তেন্তে ইতিমধ্যে নামভৰ্তি কৰা শিক্ষাৰ্থীসকল গুৰুতৰভাৱে পক্ষপাতগ্ৰস্ত হ'ব। ছাত্ৰ-ছাত্ৰীসকলৰ ফালৰ পৰা এইটোও প্ৰাৰ্থনা কৰা হৈছে যে, ট্ৰাষ্টে স্থাপন কৰা মহাবিদ্যালয়খনক স্বীকৃতি প্ৰদান কৰিবলৈ ভাৰতীয় চিকিৎসা পৰিষদক নিৰ্দেশ দিয়া উচিত।

১৯৯৭চনৰ ২৮জুলাইত এই আদালতৰ নিৰ্দেশত চিকিৎসা পৰিষদে এক পৰীক্ষা সম্পন্ন কৰিছিল। আৰু আদালতত এই পৰিদৰ্শন প্ৰতিবেদনৰ এটা প্ৰতিলিপি দাখিল কৰা হৈছে। প্ৰতিবেদনৰ পৰা দেখা গৈছে যে, ১৯৯৭চনৰ ২৩ আৰু ২৪ছেপ্টেম্বৰত ভাৰতীয় চিকিৎসা পৰিষদৰ দ্বাৰা নিযুক্ত চিকিৎসকৰ এটা দলে উক্ত পৰীক্ষা সম্পন্ন কৰিছিল। প্ৰতিবেদনখনত মহাবিদ্যালয়খনৰ বিভিন্ন অভাৱৰ কথা উল্লেখ কৰা হৈছিল। লগতে উল্লেখ কৰিছিল যে, মহাবিদ্যালয়খনৰ সঠিক ভৱন নাই আৰু ভৱনটো নিৰ্মাণৰ বাবে এতিয়াও ভূমি অধিগ্ৰহণ কৰা নাই। মহাবিদ্যালয় কৰ্তৃপক্ষৰ ফালৰ পৰা কোৱা হৈছে যে, চৰকাৰে অতি সোনকালে ভূমি প্ৰদান কৰিব বুলি আশা কৰা হৈছে আৰু লগে লগে নিৰ্মাণ কাৰ্য আৰম্ভ হ'ব।

আমাৰ অভিমত যে, ভাৰতীয় চিকিৎসা পৰিষদৰ দ্বাৰা আঙুলিয়াই দিয়া ত্ৰুটিবোৰ আঁতৰাই নকৰালৈ, মহাবিদ্যালয়খনক স্বীকৃতি দিয়াৰ কোনো প্ৰশ্ন থাকিব নোৱাৰে। প্ৰতিবেদনত উল্লেখ কৰা ত্ৰুটিবোৰ নিৰাময় কৰাৰ অধিকাৰ মহাবিদ্যালয় কৰ্তৃপক্ষৰ থাকিব। ত্ৰুটিবোৰ নিৰাময় কৰাৰ পিছত তেওঁলোকে পৰৱৰ্তী পৰীক্ষাৰ বাবে চিকিৎসা পৰিষদলৈ আবেদন কৰিব পাৰে। মহাবিদ্যালয়খনত সঠিক চিকিৎসা শিক্ষা প্ৰদানৰ বাবে সকলো সুবিধা আছে নে নাই সেয়া ভাৰতীয় চিকিৎসা পৰিষদে সিদ্ধান্ত ল'ব লাগিব। কিন্তু, প্ৰতিবেদনত প্ৰকাশ পোৱা তথ্যসমূহৰ ভিত্তিত মহাবিদ্যালয়খনক স্বীকৃতি প্ৰদানৰ বাবে কোনো পদক্ষেপ গ্ৰহণ কৰিবলৈ ভাৰতীয় চিকিৎসা পৰিষদ বা ভাৰতীয় সংঘক কোনো নিৰ্দেশনা দিব নোৱাৰিব। ভাৰতীয় চিকিৎসা পৰিষদৰ দ্বাৰা স্বীকৃতি প্ৰদান বা বিশ্ববিদ্যালয়ৰ দ্বাৰা স্বীকৃতি প্ৰদানৰ আগতেই মহাবিদ্যালয়খনত প্ৰথম বৰ্ষৰ শিক্ষাৰ্থীসকলৰ নামভৰ্তি এক অতি দায়িত্বহীন পদক্ষেপ আছিল। মহাবিদ্যালয়খনে সঠিক স্বীকৃতি লাভ নকৰালৈকে

কোনো ছাত্ৰ-ছাত্ৰীক নামভৰ্তি নকৰিবলৈ নিৰ্দেশ দিয়া হৈছে। আই. এ. নং ৫ ওপৰোক্ত ধৰণে নিষ্পত্তি কৰা হয়।

টি. এন. এ.

আবেদনখন নিষ্পত্তি কৰা হয়।

.......................................................................

অনুবাদ: ড. অৰ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক,অনুবাদ শাখা,গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”

...................